


# ব্ৰিমেনজ কলেজৰ মহাবিদ্যালয় সপ্তাহ আৰম্ভ

**প্ৰতিদিন বিশেষ সেৱা, তিনিচুকীয়া, ২ ফেব্ৰুৱাৰী ঃ** তিনিচুকীয়াৰ অন্যতম অগ্ৰণী উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান ব্ৰিমেনজ কলেজৰ ৫৮ সংখ্যক মহাবিদ্যালয় সপ্তাহ আজিৰে পৰা আৰম্ভ হৈছে। অহা ৮ ফেব্ৰুৱাৰীলৈ অব্যাহত থাকিবলগা এই অনুষ্ঠানৰ পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ফণীন মৰাণে। তেওঁ সকলোকে শুভেচ্ছা জ্ঞাপন কৰি ছাত্ৰীসকলক মহাবিদ্যালয় সপ্তাহৰ কেউটা দিন শান্তি-সম্প্ৰীতি বৰ্তাই ৰাখি সকলো প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি নিজৰ নিজৰ প্ৰতিভা বিকাশ কৰিবলৈ আহ্বান জনায়। আনহাতে আজিৰ কাৰ্যসূচীত ছাত্ৰী একতা সভাৰ সদস্যাসকলে শিখা প্ৰজ্বলন কৰি মহাবিদ্যালয় সপ্তাহৰ দিনকেইটাত সকলো নীতি-নিয়ম মানি চলাৰ শপতগ্ৰহণ কৰে। ইয়াৰ পিচতে মহাবিদ্যালয়ৰ ছাত্ৰীসকলে এক আটকধুনীয়া সাংস্কৃতিক শোভাযাত্ৰা বাহিৰ কৰে। শোভাযাত্ৰাত মহাবিদ্যালয়ৰ শিক্ষকসকলেও অংশগ্ৰহণ কৰে।